পাৰিবাৰিক নিৰ্যাতনৰ উত্তৰজীৱিসকলৰ প্ৰতি সমাজৰ সঁহাৰি

গ্ৰামীণ মহিলা কেন্দ্ৰসমূহৰ ভূমিকা

নৰ্থ ইষ্ট নেটৱৰ্ক, অসম

২০২০

ভূমিকা

২০১৯ চনত ভাৰতৰ ভিতৰত অসমতে নাৰীজনিত অপৰাধৰ হাৰ সর্বাধিক[1]। নাৰীজনিত এই সকলো অপৰাধৰ ভিতৰত স্বামী বা তেওঁৰ আত্মীয়ই চলোৱা নিষ্ঠুৰতাই শীর্ষস্থান লাভ কৰিছে। নেচনেল ক্রাইমছ ৰেকর্ডছ ব্যুৰ'ই (এন চি আৰ বি) প্রকাশ কৰি উলিওৱা 'ক্রাইম ইন ইণ্ডিয়া- ২০১৯' ত এই বিষয়ে বিশদভাৱে উল্লেখ কৰা হৈছে। মহিলাসকলে নিজৰ ঘৰৰ ভিতৰতে সন্মুখীন হোৱা নির্যাতনৰ কথা প্রতিফলিত হোৱা এই ঘটনাসমূহে ব্যক্তিগত ক্ষেত্রত মহিলাৰ সুৰক্ষাৰ বিষয়টোক অগ্রাধিকাৰ দিয়াৰ আৱশ্যকতাকে সূচায়।

নর্থ ইষ্ট নেটৱর্কে (নেন) অসমৰ গোলাঘাট, দৰং আৰু কামৰূপ (গ্রাম্য) জিলাত স্থাপন কৰা গ্রামীণ মহিলা কেন্দ্র (জি এম কে) সমূহত লাভ কৰা বুজন সংখ্যক পাৰিবাৰিক নির্যাতন সম্পর্কীয় অভিযোগতো এই প্রৱণতাই দেখা গৈছে। ২০১৮ চনত নেনে এই গ্রামীণ মহিলা কেন্দ্রসমূহ স্থাপন কৰিছিল। নেনৰ প্রশিক্ষিত মহিলা নেত্রীয়ে মূল ভূমিকা পালন কৰা এই জি এম কে সমূহ পাৰিবাৰিক নির্যাতনৰ উত্তৰজীৱিসকলৰ বাবে নিৰাপদ স্থান হৈ পৰাৰ লগতে সমাজৰ মহিলা, যুৱক-যুৱতী তথা শিশুসকলৰ বাবে এক সৃজনীমূলক শিক্ষা কেন্দ্র হৈ পৰিছে। মুঠ ১০৫ খন গাঁৱৰ এক বিশাল অঞ্চল সামৰি লৈ তৃণমূল পর্যায়ত নেনক ই এক স্পষ্ট ৰূপত দাঙি ধৰিছে।

> "এই কেন্দ্রক লৈ আমি আনন্দিত কিয়নো ই মহিলাসকলক তেওঁলোকৰ জীৱন সম্পর্কে কথা-বতৰা পাতিবলৈ এক মঞ্চ দিছে। নির্যাতনৰ বিষয়সমূহ তেওঁলোকে মুকলিকৈ আলোচনা কৰিব পাৰে। ডেকা মানুহবোৰো এই কেন্দ্রলৈ আহিবলৈ লৈছে। আমাৰ গাঁৱত সবলীকৰণৰ এনে এটা কেন্দ্র থকাত আমি আনন্দিত হৈছো। পৰামর্শদাতাসকলৰ কাম-কাজ প্রশংসনীয়।"
> - এজন গাওঁবুঢ়া, দৰং জিলা

২০০৩ চনতেই নেনে অসমৰ নির্বাচিত জিলাসমূহত তৃণমূল পর্যায়ৰ নেত্রী গঢ়ি তোলা প্রক্রিয়াটো আৰম্ভ কৰিছিল। এই মহিলাসকলক লিংগভিত্তিক বিষয়সমূহৰ আৰু মহিলাৰ অধিকাৰ তথা নাৰী নির্যাতন আৰু তাৰ আইনী প্রতিকাৰ সম্পর্কে বিতংভাৱে প্রশিক্ষণ দিয়া হৈছিল। তাৰ পাছতেই এই প্রশিক্ষিত মহিলা নেত্রীসকলে অসমৰ ১৪খন জিলাত পাৰিবাৰিক নির্যাতনৰ প্রৱণতা আৰু তাৰ ধৰণ সম্পর্কে বুজ লোৱাৰ উদ্দেশ্যে জিলা পর্যায়ত এক পাইলট জৰীপ চলায়। গাওঁসমূহত অপমানজনক পাৰিবাৰিক সম্পর্কৰ মাজত তিষ্ঠি থকা মুঠ ১২০০ গৰাকী উত্তৰদাতাক সামৰি লৈ এই জৰীপ চলোৱা হৈছিল।

এই অভিজ্ঞতাৰ ভিত্তিতে নেনৰ মূল গোটে নেতৃত্ব দিয়া এই নেত্রীসকলে নিজ নিজ ঠাইত পাৰিবাৰিক নির্যাতন সম্পর্কীয় সমস্যাসমূহৰ ওপৰত কাম কৰিবলৈ লয়। নাৰী নির্যাতনৰ ঘটনাৰ ক্ষেত্রত নাৰীবাদী দৃষ্টিভংগীৰে সঁহাৰি জনোৱাৰ ক্ষেত্রত দক্ষতা আৰু কৌশল প্রদানৰ উদ্দেশ্যে নেনে তেওঁলোকৰ বাবে পৰামর্শ প্রদান আৰু যোগাযোগৰ দক্ষতা সম্পর্কে দুসপ্তাহৰ এক পাঠ্যক্রমৰ ব্যৱস্থা কৰে। তেতিয়াৰে পৰা তেওঁলোকে নির্যাতিতা মহিলাসকলৰ বাবে সমাজভিত্তিক এক সাহায্য প্রক্রিয়া সৃষ্টি কৰাৰ উদ্দেশ্যে পৰামর্শ প্রদানক এক সঁজুলিৰূপে ব্যৱহাৰ কৰি আহিছে। গ্রামীণ মহিলা কেন্দ্রসমূহত এই পৰামর্শদাতাসকলে নিজ নিজ গাঁৱৰ নির্যাতিতা মহিলাসকলৰ বাবে মানসিক তথা সামাজিক পৰামর্শ প্রদান কৰি আহিছে। উল্লেখযোগ্য, বোৱা-কটাৰ জৰিয়তে মহিলা সবলীকৰণৰ উদ্দেশ্যে নেনে আৰম্ভ কৰা 'চানেকি উইভছ' শীর্ষক প্রকল্পৰ সৈতেও পাৰিবাৰিক নির্যাতনৰ উত্তৰজীৱিসকলক জড়িত কৰা হয়।

1 ক্রাইম ইন ইণ্ডিয়া ২০১৯, এন চি আৰ বি

NEN

Report by:
Anurita, Neha Das, Nilanju Dutta, Rashmirekha Borah

7b, J N Borooah Lane, Jorpukhuri, Guwahati, 781001, Assam.
+91 94350 17824 | www.northeastnetwork.org

Illustrations, design and layout by Neelima P Aryan | www.bluinker.in